অসম আদিত্য

...া ৩৩৭ ■ ২৬ আঘোণ, ১৯৪৬ শক ■ বৃহস্পতিবাৰ, ১২ ডিচেম্বৰ, ২০২৪ ■ Asom Aditya, Dibrugarh, Thursday, December 12, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ প...

# কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষৰে শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পঞ্জীয়কৰ আলোচনা

**ষ্টাফ ৰিপৰ্টাৰ, ১১ ডিচেম্বৰ ঃ** ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু উত্তৰ-পূৰ্বৰ অন্যতম ক্ৰীড়া বিশ্ববিদ্যালয় শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ নৱনিযুক্ত পঞ্জীয়ক, পৰীক্ষা নিয়ন্ত্ৰকৰে আজি এক সৌহাৰ্দ্যমূলক আলোচনা অনুষ্ঠিত হয়। নৱনিযুক্ত দুয়োগৰাকী বিষয়াই মহাবিদ্যালয়খন পৰিদৰ্শন কৰি বিশ্ববিদ্যালয়খন আগুৱাই নিয়াৰ ক্ষেত্ৰত কানৈ মহাবিদ্যালয় পৰিয়ালে কৰা সহায়-সহযোগিতাক ধন্যবাদ আৰু কৃতজ্ঞতা প্ৰকাশ কৰে। মহাবিদ্যালয়খনে বিশ্ববিদ্যালয়খনৰ পাঠদান আৰম্ভ কৰিবলৈ শ্ৰেণীকোঠাকে ধৰি অন্যান্য আন্তঃগাঁথনি সুবিধা কৰি দিয়াৰ বাবে কৃতজ্ঞ হৈ বিশ্ববিদ্যালয়ৰখনৰ নৱনিযুক্ত পঞ্জীয়ক পংকজ বৰঠাকুৰে মহাবিদ্যালয় পৰিয়ালৰ হৈ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াক উষ্ম সম্বৰ্ধনা জনায়। পঞ্জীয়কগৰাকীৰ লগত সহযোগিতা আগবঢ়ায় বিশ্ববিদ্যালয়খনৰ নৱনিযুক্ত পৰীক্ষা নিয়ন্ত্ৰক অৰিনজিৎ হাজৰিকাই। উল্লেখ্য যে শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ শ্ৰেণীসমূহৰ পাঠদান আৰম্ভ কৰাৰ ক্ষেত্ৰত ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অভুতপূৰ্ব বৰঙনি আছে। বিশ্ববিদ্যালয়খন অসম বিধানসভাত অনুমোদন হোৱা অনুসৰি ২০১৮ চনৰ ১০ ডিচেম্বৰৰ পৰা কাৰ্যকৰী হয়। সেই অনুসৰি বিশ্ববিদ্যালয়খনৰ স্থায়ী গৃহৰ অভাৱত তদানিন্তন ৰাজ্যপাল গোলাব চান্দ কাটাৰীয়াই মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াৰ সতে ২০২৩ চনৰ ৯ জুনত ডিব্ৰুগড় মোহনবাৰী বিমানঘাটিত এক আলোচনামৰ্মে সেইদিনাই মহাবিদ্যালয়খন পৰিদৰ্শন কৰে। পৰৱৰ্তী সময়ত অধ্যক্ষগৰাকীৰ সতে ২০২৩ চনৰ ২০ জুনত ৰাজ ভৱনত আলোচনাত মিলিত হয়। সেই মৰ্মে পৰিচালনা সমিতিৰ পৰামৰ্শ অনুসৰি বিশ্ববিদ্যালয়খনৰ পাঠদান আৰম্ভ কৰিব পৰাকৈ মহাবিদ্যালয়খনত কেইটামান শ্ৰেণীকোঠা অৰ্পণ কৰা হয়। বিশ্ববিদ্যালয়খনক আগুৱাই নিয়াৰ ক্ষেত্ৰত কানৈ মহাবিদ্যালয় পৰিয়ালে যিদৰে সহায়-সহযোগিতা আগবঢ়াই আহিছে তাৰ বাবে পঞ্জীয়কগৰাকীয়ে আজি অনুষ্ঠিত এক সভাত ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। উল্লেখ্য যে বিশ্ববিদ্যালয়খনৰ সতে মহাবিদ্যালয়খনৰ ২০২৩ চনৰ ৩০ জানুৱাৰীত এক বুজাবুজি চুক্তিও স্বাক্ষৰিত হৈছিল। আজি অনুষ্ঠিত হোৱা আলোচনা-চক্ৰত বিশ্ববিদ্যালয়খনৰ তৰফৰ পৰা পৰ্যায়ক্ৰমে মহাবিদ্যালয়খনক সহায় কৰি যাব বুলি অৱগত কৰে। সভাত মহাবিদ্যালয়ৰ উপাধ্যক্ষকে প্ৰমুখ্য কৰি অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীসকল উপস্থিত থাকে।

